# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-04-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

নিৰ্বাচন আয়োগে সমাগত লোকসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ সৈতে জড়িত বিভিন্ন বিষয় পৰ্যালোচনা কৰাৰ বাবে আজি বিয়লি দেশৰ ভিন ভিন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ আইন বলৱৎকাৰী সংস্থাসমূহৰ সৈতে এখন বৈঠকৰ আহ্বান কৰিছে। এই বৈঠকত সামগ্ৰিক আইন শৃংখলা পৰিস্থিতিৰ লগতে অবৈধ কাৰ্যকলাপ প্ৰতিহত কৰা, আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তত চোকা দৃষ্টি ৰখা আৰু আইন বিৰুদ্ধ সা-সামগ্ৰী বাজেয়াপ্ত কৰা আদি বিষয়সমূহ গুৰুত্বসহকাৰে আলোচনা কৰা হ'ব। অনলাইন ব্যৱস্থাৰ মাধ্যমেৰে হ'বলগীয়া এই বৈঠকত অসমৰ পৰা ৰাজ্য চৰকাৰৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধান আৰু মুখ্য নিৰ্বাচন বিষয়াকে ধৰি শীৰ্ষ পৰ্যায়ৰ বিষয়াসকল উপস্থিত থাকিব বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে। উল্লেখযোগ্য যে লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচন আয়োগে কালি দেশৰ ৬ খন ৰাজ্যৰ বাবে বিশেষ পৰ্যবেক্ষকক নিযুক্তি দিয়ে। এই ৰাজ্যকেইখনৰ ভিতৰত লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে বিধানসভা নিৰ্বাচনৰ বাবেও ভোটগ্ৰহণ হ'বলগীয়া অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশাৰ লগতে ৭ কোটিৰো অধিক জনসংখ্যাৰ পশ্চিমবংগ, উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ আৰু বিহাৰো অন্তৰ্ভুক্ত হৈছে। আনহাতে নিৰ্বাচন সম্পৰ্কীয় ব্যয়ৰ বিষয়টো চোৰা-চিতা কৰাৰ বাবে নিৰ্বাচন আয়োগে অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, তামিলনাডু, উত্তৰ প্ৰদেশ আৰু ওড়িশাত একোগৰাকীকৈ বিশেষ ব্যয় পৰ্যবেক্ষকক নিযুক্তি দিছে।

০০০০০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন স্থানত আজি শাসনাধিষ্ঠিত বিজেপি মিত্ৰজোঁটকে ধৰি অন্যান্য ৰাজনৈতিক দলসমূহে প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কৰিমগঞ্জ মহাবিদ্যালয়ৰ খেলপথাৰত সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী কৃপানাথ মল্লাৰ হৈ প্ৰচাৰ চলায়। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে বৰাক উপত্যকাৰ সামগ্ৰিক উন্নয়নৰ বাবে বিজেপিক ভোট দিবলৈকে সকলোকে আহ্বান জনায়। আনহাতে, বিত্তমন্ত্ৰী অজন্তা নেওগে যোৰহাটত সমষ্টিটোৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ সমৰ্থনত আজি কেইবাখনো প্ৰচাৰ সভাত অংশ লয়। এই সভাকেইখনত বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীৰ উপৰি বিজেপি আৰু অসম গণ পৰিষদৰ কেইবাগৰাকী জ্যেষ্ঠ নেতাই অংশ লয়। ইপিনে, যোৰহাট সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ ব্যাপক প্ৰচাৰ অব্যাহত আছে। আজি প্ৰাৰ্থীগৰাকীয়ে সমষ্টিটোৰ ছখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তেওঁ জিলাখনৰ চিকাৰীগাঁও আৰু নতুন বজাৰ তিনিআলিত প্ৰচাৰ অভিযানত অংশ লয়।

ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নাহৰকটীয়া বিধানসভা সমষ্টিত প্ৰচাৰ চলায়।

মন্ত্ৰীগৰাকীয়ে নিজৰ ভাষণত ত্ৰয়োদশ শতিকাতে স্বৰ্গদেউ চুকাফাই বিভিন্ন জাতি-উপজাতিসমূহকলৈ বৰ অসম গঢ় দিয়াৰ দৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও **সবকা সাথ, সবকা বিকাশ** নীতিৰে দেশখনক আগুৱাই লৈ গৈছে বুলি মন্তব্য কৰে।

চিৰাং জিলাৰ বিভিন্ন অঞ্চলত আজি কোকৰাঝাৰ সমষ্টিৰ বিজেপি, অগপ আৰু ইউপিপিএল মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ সমৰ্থনত মটৰ চাইকেল সমদল উলিওৱা হয়। দলৰ কাৰ্যকৰী সভাপতি তথা ৰাজ্যসভাৰ সাংসদ ৰণগৌৰা নাৰ্জাৰীয়ে সমদলটো মুকলি কৰে।

তামুলপুৰ জিলাৰ গোৰেশ্বৰত আজি কংগ্ৰেছ, বিপিএফকে ধৰি বিভিন্ন দলৰ কেইবাগৰাকী সদস্যই ইউপিপিএলত যোগ দিয়ে।

তৃতীয় পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া বৰপেটা সমষ্টিত আজি চি পি আই এমৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰে প্ৰচাৰ অভিযান চলায়। তদুপৰি, কংগ্ৰেছ দলৰ সভাপতি ভূপেন বৰাই আজি ডিফুত দলৰ সমৰ্থকসকলক সাক্ষাৎ কৰে।

শোণিতপুৰ লোকসভা সমষ্টিৰ বিপিএফৰ প্ৰাৰ্থী ৰাজু দেউৰীয়ে গহপুৰত নিৰ্বাচনী প্ৰচাৰ চলাই বিজেপি চৰকাৰৰ কাম-কাজক সমালোচনা কৰে। গহপুৰৰ খেৰণিগেঁটত আয়োজিত প্ৰচাৰ কাৰ্যসূচীত ৪০ জন লোকে বিপিএফত যোগ দিয়ে।

উল্লেখযোগ্য যে, শোণিতপুৰ লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী ৰঞ্জিত দত্তৰ হৈ কাইলৈ ঢেকিয়াজুলিত মুখ্যমন্ত্ৰীয়ে প্ৰচাৰ চলাব।

oooooooo

তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পালে আজি লোকসভা নিৰ্বাচনৰ বাবে ভোটাৰ সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰস্তুত কৰা মহিলা শুভংকৰ এটি আয়ুক্ত কাৰ্যালয়ৰ প্ৰৱেশ দ্বাৰত আনুষ্ঠানিকভাৱে মুকলি কৰে। অনুষ্ঠানত ভাষণ প্ৰসংগত তেওঁ কয় যে এইবাৰৰ নিৰ্বাচনত তিনিচুকীয়া জিলাত ১০০ শতাংশ ভোটদান নিশ্চিত কৰিবলৈ এই সাৰথি বাইদেউসকলে সেৱা আগবঢ়াব। তেওঁ 'আপোনাৰ এটা ভোটৰ অধিকাৰ, সবল গণতন্ত্ৰৰ আধাৰ' এই শ্ল'গান গাঁৱে-ভূঞে বিয়পাবলৈ আহ্বান জনাইছে। অনুষ্ঠানত জিলা আয়ুক্ত কাৰ্যালয়ৰ সকলো বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। উল্লেখযোগ্য যে নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে এইবাৰ ভোটদাতাৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান আৰু ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ অধীনৰ আত্মসহায়ক গোটসমূহৰ মাজৰ পৰা প্ৰতিখন গাঁও আৰু পৌৰসভা ৱাৰ্ডত সাৰথি বাইদেউ নামাকৰণেৰে একোগৰাকীকৈ স্বেচ্ছাসেৱী প্ৰতিনিধি নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। তিনিচুকীয়া নিৰ্বাচনী জিলাৰ তিনিচুকীয়া, ডিগবৈ, মাকুম আৰু ডুমডুমাৰ পৌৰসভাসমূহত ৪৩ গৰাকী আৰু গাঁও পঞ্চায়তসমূহত মুঠ ৩৮৩ গৰাকী সাৰথি বাইদেউক নিযুক্তি দিয়া হ'ব। ইয়াৰ সমান্তৰালকৈ তিনিচুকীয়াৰ শদিয়া আৰু মাৰ্ঘেৰিটা মহকুমাতো সাৰথি বাইদেউ নিযুক্তি দিবলৈ লোৱা হৈছে। তেওঁলোকে নিজ অঞ্চলৰ ভোটাদাতাৰ ভোটদান সম্পৰ্কীয় বিভিন্ন সমস্যা সমাধানৰ লগতে ৮৫ বছৰ উৰ্ধৰ আৰু শাৰীৰিকভাৱে বাধাগ্ৰস্ত লোকসকলক ভোটদানৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াব বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়াই অৱগত কৰিছে।

oooooooo

**সমাপ্ত**